Dainik Gana Adhikar
Date: 6 March, 2023
page No: 12

সংমণ্ডলৰ ডাক বিষয়া তথা 'পোষ্টেল ডায়েৰী' খ্যাত লেখক অজিত ৰাজবংশী আৰু হিমাদ্ৰী দাসৰ কন্যা তথা কণ্ঠশিল্পী জেছিকা ৰাজে সমাৰোহত সংগীতৰ দুটা শাখাত অসম ডাক পৰিমণ্ডলক প্ৰতিনিধিত্ব কৰে। গুজৰাট, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ, দিল্লী, পশ্চিমবংগ, কৰ্ণাটক, বিহাৰ, ছত্তিশগড় আদিকে ধৰি ১৭খন ৰাজ্যই অংশগ্ৰহণ কৰা প্ৰতিযোগিতামূলক সমাৰোহৰ সংগীতৰ লোকগীত শাখাত ৰূপৰ পদক আৰু ছেমি ক্লাছিকেল শাখাত ব্ৰোঞ্জৰ পদক লাভ কৰি জেছিকা ৰাজে অসমক উজলাবলৈ সক্ষম হয়। উল্লেখ্য যে সংগীতৰ প্ৰতি ধাউতি থকা জেছিকা ৰাজ ২০২২ বৰ্ষৰ উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত বৰ্ষত সংগীতৰ দুয়োটা বিষয়তে অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰ পাবলৈ সক্ষম হৈছিল।

হৰ্ষজ্যোতি বৰুৱা আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ বিশ্ববিদ্যালয়ৰ অন্তৰ্গত উদ্যান শস্য গৱেষণা কেন্দ্ৰৰ প্ৰমুখ বিজ্ঞানী ড° শৰৎ শইকীয়া উপস্থিত থাকে।

# নৱজ্যোতি মহাবিদ্যালয়ত কলা আৰু হস্তশিল্পৰ প্ৰশিক্ষণ শিবিৰ

**গুৱাহাটী, ৫ মাৰ্চ ঃ** নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰ্ক আৰু সুকুমাৰ কলা বিভাগৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ১ মাৰ্চৰ পৰা ৪ মাৰ্চলৈকে কলা আৰু হস্তশিল্পৰ এটা প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হয়। প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষক হিচাপে উপস্থিত থাকে মকবুল হুছেইন ফিদা আৰ্ট একাডেমীৰ অধ্যক্ষ মহিদুল ইছলাম আৰু শিক্ষক, নৱজ্যোতি মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আলী আহমেদে। আনুষ্ঠানিকভাৱে শিবিৰ মুকলি কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ছাহজাহান আলী আহমেদে। শিবিৰ মুকলি অনুষ্ঠানত ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল উপস্থিত থাকে। শিবিৰৰ প্ৰথম দিনা ছাত্ৰ-ছাত্ৰীসকলক খবৰ কাগজ, ফুলৰ পাত, গুটি, ডাল, কাঠ পেঞ্চিলৰ পেলনীয়া অংশ, ছাই আদিৰে ক'লাজ প্ৰস্তুত কৰাৰ প্ৰশিক্ষণ দিয়া হয়। দ্বিতীয়দিনা পেলনীয়া সামগ্ৰীৰে তৈয়াৰ কৰা কাৰু শিল্পৰ প্ৰশিক্ষণ দিয়া হয়। কাৰু শিল্পৰ ভিতৰত কলম দানি, ফুল দানি, ফুল আদি তৈয়াৰ কৰা হয়। তৃতীয়াদিনা অধ্যাপিকা মেঘালী মৰাণৰ দ্বাৰা বেলুন আৰু খবৰ কাগজৰ মুখা শিল্পৰ প্ৰশিক্ষণ দিয়া হয়। চতুৰ্থদিনা মাটিৰ কলহত ডিজাইন, কাগজৰ ফুল তৈয়াৰৰ প্ৰশিক্ষণ দিয়া হয়। প্ৰায় চল্লিচগৰাকী প্ৰশিক্ষণাৰ্থীয়ে অংশগ্ৰহণ কৰা শিবিৰটোত নিৰ্মিত সামগ্ৰীসমূহৰ প্ৰদৰ্শনী আৰু বিপণী মুকলি কৰা হয়। প্ৰদৰ্শনী আৰু বিপণী মুকলি কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ছাহজাহান আলী আহমেদে। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থকা অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষই ছাত্ৰ-ছাত্ৰীৰ সুপ্ত বিকাশক জাগ্ৰত কৰি আৰ্থিকভাৱে স্বাৱলম্বী হ'বলৈ আহ্বান জনায়। উল্লেখ্য যে বিপণীৰ পৰা সামগ্ৰীসমূহ মহাবিদ্যালয়ৰ পৰিয়ালে ক্ৰয় কৰে।

# অসম সাহিত্য সভাৰ কথা সাহিত্য বঁটা

**গুৱাহাটী, ৫ মাৰ্চ ঃ** অসম সাহিত্য সভাৰ ৰাধাগোবিন্দ বৰুৱা সভাকক্ষত আজি কথা সাহিত্য প্ৰদান-২০২২ প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হয়। অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱীয়ে সভাপতিত্বত আয়োজন অনুষ্ঠানটোত অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি কনক চন্দ্ৰ শৰ্মা অসমীয়া কথা সাহিত্যৰ বিষয়ে তত্ত্বগধুৰ ভাষণ দিয়ে। আনহাতে, লেখক যোগেন্দ্ৰ নাৰায়ণ শাস্ত্ৰীয়ে ভাষণত দামোদৰ দেৱ, ভট্টদেৱৰ শিষ্য নহ'লহেঁতেন তেন্তে অসমৰ বৈষ্ণৱ ধৰ্মই প্ৰচাৰ নহ'লহেঁতেন বুলি কয়। তদুপৰি, তেওঁ গদ্য সাহিত্যৰ জনক ভট্টদেৱৰ গুণ-গৰিমা সামাজিক ন্যায়ৰ বিষয়েও ব্যাপক ৰূপত উল্লেখ কৰে। আজি অসম সাহিত্য সভাৰ এই কথা সাহিত্য বঁটা-২০২২ খগেন্দ্ৰনাথ পাঠকক (মৰণোত্তৰভাৱে) প্ৰদান কৰা হয়। বঁটাপ্ৰাপকৰ জীৱনশৈলী, সংগীত, সাহিত্য-সামাজিক ক্ষেত্ৰৰ অৱদান পৰিয়ালৰ হৈ তেওঁৰ পুত্ৰ ৰমানন্দ পাঠকে উল্লেখ কৰে। অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰকাশিত সুৰভী নামৰ এখন গ্ৰন্থ উন্মোচন কৰা হয়। শেষত সাহিত্যানুষ্ঠানটোৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মাই শলাগৰ শৰাই জ্ঞাপন কৰাৰ পিছত অসম সংগীত পৰিৱেশনেৰে অনুষ্ঠানৰ অন্ত পৰে।

## খগেন্দ্ৰনাথ পাঠকক মৰণোত্তৰভাৱে বঁটা প্ৰদান



C
M
Y
K

ইউনিটী মিডিয়া এণ্ড ইনফ্ৰাষ্ট্ৰাক্চাৰ লিমিটেডৰ হৈ ছাহজাহান তালুকদাৰৰ দ্বাৰা প্ৰকাশিত আৰু
কাৰ্যালয়ৰ ঠিকনা ঃ হাতীগাঁও চাৰিআলি, হাতীগাঁও, গুৱাহাটী-৭৮১ ০৩৮, ফোন ঃ ০৩৬১-২২২৪৪৮৮, ম'বাইল ঃ ৯৪০১
Published and printed by Shahjahan Talukdar on behalf of Unity Media And Infrustructure Limited. Publ
A. K Deb Road, Katabari, Garchuk, Guwahati - 781035, Phone : 0361-2224488, Mobile : 9401114444